জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
১৬ ফেব্ৰুৱাৰী, ২০২২ ■ বুধবাৰ ■ গুৱাহাটী ■ ৩ ফাগুন, ১৯৪৩ শক

বকোৰ ডেকাপাৰাত বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ বাৰ্ষিক অধিবেশনৰ প্ৰতিনিধি সভা সম্পন্ন

দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৫ ফেব্ৰুৱাৰী ঃ বিগত ১৯৯৯ চনৰে পৰা বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ উদ্যোগত কামৰূপ জিলাৰ বকোত আয়োজন কৰি আহিছে চিলাৰায় দিৱস। ভূমিপুত্ৰ কোচ ৰাজবংশী সকলৰ সৌৰ্য্য বিৰ্য্যৰ প্ৰতীক বিশ্ব মহাবীৰ চিলাৰায়ৰ জন্মজয়ন্তী বৰ্ষ বিগত বছৰবোৰৰ দৰে এই বৰ্ষও বকোৰ ডেকাপাৰাত পালন কৰা হয়। এই বেলি ৫১২ সংখ্যক বৰ্ষৰ চিলাৰায়ৰ আবিৰ্ভাৱ তিথি উদযাপন কৰা হ'ব। ইফালে চিলাৰায় দিৱসৰ লগত সংগতি ৰাখি বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ এই বেলি আয়োজন কৰা হৈছে দ্বাদশ দ্বি প্ৰথম বাৰ্ষিক অধিবেশনৰ। কোচ ৰাজবংশী সংগঠনটোৰ আঞ্চলিক সমিতিৰ আজি অনুষ্ঠিত হয় বাৰ্ষিক প্ৰতিনিধি সভা। সভাপতি বিষ্ণু ৰাম দাসৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা সভাৰ আত ধৰে সম্পাদক বিপুল তালুকদাৰে। সভাত উপস্থিত থাকে ; সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ সাংগঠনিক সম্পাদক ডিম্বেশ্বৰ দাস ; গুৱাহাটী জিলা সমিতিৰ সম্পাদক দীপক কুমাৰ ৰয়কে ধৰি বহু কেইজন জেষ্ঠ্য কোচ ৰাজবংশী ব্যক্তি। প্ৰতিনিধি সভাত সকলো কাৰ্য্যসূচী সুচাৰুৰূপে পৰিচালনা কৰে আৰু সংগঠনটোৰ সাংগঠনিক দিশত আলোকপাত কৰে। উল্লেখ্য যে ; বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ উদ্যোগত আৰু ডেকাপাৰা কোচ ৰাজবংশী পুৰুষ - মহিলা গএগ ৰাইজৰ সহযোগত ডেকাপাৰাত আয়োজন কৰা হয় চিলাৰায় দিৱসৰ বৰ্ণিল কাৰ্য্যক্ৰমণিকা। আজিৰ প্ৰতিনিধি সভাত সংগঠনটোৰ জাতীয় আবেগ অনুভূতিৰ দিশত আলাপ আলোচনা কৰি প্ৰস্তাৱ গ্ৰহণ কৰে। ইফালে কালিলৈ ৩ ফাগুন অৰ্থাৎ ১৬ ফেব্ৰুৱাৰীত বিশ্ব মহাবীৰ চিলাৰায়ৰ জন্মজয়ন্তী অনুষ্ঠান। কাইলৈৰ চিলাৰায় দিৱসৰ কাৰ্য্যসূচী অনুসৰি পুৱা পৰিবেশ নিকাকৰণ ; বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সভাপতি বিষ্ণু ৰাম দাসৰ দ্বাৰা পতাকা উত্তোলন ; স্মৃতি তৰ্পণ ; বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পন ; সাংস্কৃতিক শোভাযাত্ৰা আৰু মুকলি সভা। মুকলি সভাত বহু কেইজন বিশিষ্ট অতিথিক আমন্ত্ৰণ কৰা হৈছে। সেয়েহে চিলাৰায় দিৱসৰ সকলো কাৰ্য্যসূচী সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে সকলোৰে সহায় সহযোগ কামনা কৰিছে আয়োজক সমিতিয়ে।

গোসাইগাঁও আৰক্ষী থানাৰ নৱ নিৰ্মিত ভৱন মুকলি

দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ১৫ ফেব্ৰুৱাৰী ঃ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমা সদৰ চহৰৰ মাজমজিয়াত ভাৰত স্বাধীন হোৱাৰ পিছৰ বছৰতে অৰ্থাৎ ১৯৪৮ চনত স্থাপন হোৱা গোসাঁইগাঁও আৰক্ষী থানাখনৰ নৱ নিৰ্মিত ভৱন মঙ্গলবাৰে পুৱা দহ মান বজাত আনুষ্ঠানিক ভাৱে মুকলি কৰা হয়। কোকৰাঝাৰ জিলাৰ সদৰ চহৰৰ কোকৰাঝাৰ থানাত উপস্থিত থাকি অসম আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰ জ্যোতি মহন্তই কোকৰাঝাৰ আৰক্ষী থানাৰ শুভ উদ্বোধন কৰাৰ লগতে গোসাঁইগাঁও থানাৰ নৱ নিৰ্মিত ভৱনৰ শুভ উদ্বোধনৰ ভাৰ্চুৱেলী আনুষ্ঠানিক ঘোষণাৰ অন্তত গোসাঁইগাঁও থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পৰিদৰ্শক অমৰজ্যোতি বাইলুংৰ দ্বাৰা গোসাঁইগাঁও সদৰ থানাৰ নৱ নিৰ্মিত ভৱনৰ শুভ উদ্বোধন কৰা হয়। উক্ত অনুষ্ঠানত বিজেপিৰ সংখ্যালঘু মৰ্চাৰ কোকৰাঝাৰ জিলাৰ সভাপতি জেঠমল মালু, গোসাঁইগাঁও শাখা সাহিত্য সভাৰ সভাপতি পৰশু কলিতা, খনিন্দ্ৰ দাস সহ মহকুমাখনৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

বাক্সাৰ ভকুৱামাৰীত যোগান বিভাগৰ বিৰুদ্ধে হিতাধিকাৰীৰ প্ৰতিবাদ

ৰেচন কাৰ্ডৰ পৰা নাম কৰ্তন, চাউল বিতৰণত খেলিমেলিৰ অভিযোগ

দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ১৫ ফেব্ৰুৱাৰী ঃ বাক্সাৰ শালবাৰীৰ উত্তৰ ভকুৱামাৰী গাঁৱত দুখীয়া লোকৰ বাবে যোগান ধৰা চাউল বিতৰনত হোৱা অনিয়মৰ লগতে ৰেচন কাৰ্ডৰ পৰা হিতাধিকাৰীৰ নাম কৰ্তন কৰাক কেন্দ্ৰ কৰি শালবাৰীৰ ভকুৱামাৰীত আজি ৰাইজে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে উত্তৰ ভকুৱামাৰী গাঁৱৰ বহুসংখ্যক দুখীয়া ৰাইজে ৰাজপথলৈ ওলাই আহি হাতে হাতে ৰেচন কাৰ্ডৰ কপি লৈ উত্তৰ ভকুৱামাৰী - কুৰিবিল সংযোগী পথত প্ৰতিবাদ সাব্যস্ত কৰে ।অসম চৰকাৰ হায় হায়....., যোগান বিভাগ হায় হায়....., আমাক ন্যায় প্ৰদান কৰক.... , সুলভ মুল্যৰ চাউল সঠিকভাৱে বিতৰণ কৰক... আদি শেগানেৰে ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে, গোৱৰ্ধনা সমবায়ৰ অধিনৰ উত্তৰ ভকুৱামাৰী গাঁৱৰ বহু সংখ্যক লোকৰ পৰিয়ালৰ সদস্যৰ নাম ৰেচন কাৰ্ডৰ পৰা অস্পষ্ট কৰি চাউলৰ পৰা বঞ্চিত কৰাৰ উপৰি সুলভ মূল্যৰ দোকানীয়ে হিতাধিকাৰীয়ে পাৱলগীয়া চাউলৰ পৰা চাউল কিছু পৰিমাণে কৰ্তন কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে প্ৰতিবাদী ৰাইজে। দিনৰ এঘাৰ বজাৰ পৰা বাৰ বজালৈ যোগান বিভাগৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি চাউল বিতৰণত খেলিমেলি,ৰেচন কাৰ্ডৰ পৰা হিতাধিকাৰীৰ নাম কৰ্তন সন্দৰ্ভত চৰকাৰীভাৱে তদন্তৰো দাবী জনায়।

গৌৰীপুৰত গো-মাংস ভৰ্তি ডি আই গাড়ী জব্দ আৰক্ষীৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, গৌৰীপুৰ, ১৫ ফেব্ৰুৱাৰী ঃ গৌৰীপুৰ থানাৰ আৰক্ষীৰ সফল অভিযান। গাড়ী ভৰ্তি গো-মাংস জব্দ কৰে গৌৰীপুৰ আৰক্ষীয়ে। গো-সুৰক্ষা আইন বলবৎ হোৱাৰ সময়তে এচাম গো-মাফিয়াই ন ন কৌশলৰে চলাই গৈছে গো-ধ্বংস যজ্ঞ। অসম বংগ সীমান্তৰ পৰা নিতৌ শ শ কুইণ্টল গো-মাংস অটোৰিক্সা, টটো, মেজিক, হাতী গাড়ী, ডি আই গাড়ীৰে অসমৰ বিভিন্ন প্ৰান্তত যোগান ধৰি আহিছে এচাম মাফিয়াই। ৰাতি গৌৰীপুৰ আৰক্ষীয়ে গো-মাংস ভৰ্তি ডব্লিউ বি ৬৩ এ ৮০১৮ নম্বৰৰ ডি আই গাড়ী খন জব্দ কৰে। লগতে চোৰাং গো-মাংসৰ চক্ৰৰ বিৰুদ্ধে তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে।

দৰঙৰ খটৰা সত্ৰ পৰিচালনা সমিতি গঠন

দৈনন্দিন বাৰ্তাৰ সেৱা, নামখলা, ১৫ ফেব্ৰুৱাৰী ঃ দৰঙৰ ঐতিহাসিক সত্ৰ হ'ল খটৰা সত্ৰ এই সত্ৰত ২০২২বৰ্ষৰ ১৩ ফেব্ৰুৱাৰীত এখন সাধাৰণ সভাৰ জৰিয়তে ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষৰ বাবে ২১জনীয়া সদস্যৰে নিৰ্বাচিত নতুন সমিতি গঠন কৰে। ক্ৰমে- সভাপতি- যাদৱ চন্দ্ৰ মহন্ত, উপ-সভাপতি- বুদ্ধিৰাম ডেকা সম্পাদক-গঙ্গাৰাম বৈশ্যসহ সম্পাদকদ্বয়-ৰামেশ্বৰ ডেকা আৰু নৰ কলিতা। নবনিৰ্বাচিত সভাপতি যাদৱ চন্দ্ৰ মহন্ত আৰু সম্পাদক গঙ্গাৰাম বৈশ্যই ভক্তপ্ৰাণ ৰাইজৰ দিহা-পৰামৰ্শৰ লগতে আশীষ কামনা কৰে।

কেনৰা বেঙ্ক Canara Bank
A Government of India Undertaking
Vijaya Syndicate
কাহিলিপাৰা শাখা
শিৱম মাৰ্কেট, কাহিলিপাৰা
গুৱাহাটী-৭৮১০১৯, অসম

নিলাম বিক্ৰী জাননী

তলত উল্লেখ কৰা ব্যক্তিসকলক অৱগত কৰা হ'ল যে তেওঁলোকে লোন একাউণ্টৰ বিপৰীতে থকা দেনাসমূহ আদায় দিয়াত ব্যৰ্থ হ'ল। তেওঁলোকলৈ ৰেজিষ্টাৰ্ড পোষ্টৰ জৰিয়তে জাননী প্ৰেৰণ কৰা হৈছিল যদিও সেই জাননী বেংকলৈ ঘূৰি আহিছে। গতিকে তেওঁলোকক ইয়াৰ জৰিয়তে অনুৰোধ কৰা হ'ল যাতে দেনাসমূহ আদায় দিয়ে, লগতে অন্যান্য মাচুল আদি যাতে তেওঁলোকৰ ছিকিউৰিটী হিচাপে বন্ধক দিয়া সম্পদসমূহ ঘূৰাই পাবলৈ সক্ষম হয়, **২৪ ফেব্ৰুৱাৰী, ২০২২** তাৰিখ বা তাৰ পূৰ্বে। উপৰোক্ত দেনা আদায়ত ব্যৰ্থ হ'লে ছিকিউৰিটী সম্পদসমূহ বেংক কৰ্তৃপক্ষই ৰাজহুৱা নিলাম ব্যৱস্থাৰে বিক্ৰী কৰিব অহা **২৫ ফেব্ৰুৱাৰী, ২০২২ তাৰিখে দিনৰ ১০ বজাত,** বেংক চৌহদত ঋণ লওতাৰ মূল্যত বা অন্য যিকোনো এটা দিনত এই কাৰ্য সম্পন্ন হ'ব পুনৰ জাননী নিদিয়াকৈ, বেংক কৰ্তৃপক্ষৰ নিজা কৰ্তৃত্বৰ আধাৰত।

ক্ৰ. নং.	ঋণৰ তাৰিখ	ঋণ নং	ঋণ লওতাৰ নাম আৰু ঠিকনা
১	১২.০২.২০২১	২৩০৮৯৫২০০০০৪৩	স্মৃতি মুন্সি, বাপন মুন্সিৰ পত্নী, ঘৰৰ নং ঃ ২৯, বি/এল-২, শ্ৰীনগৰ, লখৰা ৰোড, গুৱাহাটী- ৭৮১০৩৪

তাৰিখ ঃ ১৫.০২.২০২২ মেনেজাৰ

সৃজনগ্ৰাম সৰ্বজনীন পালনাম মহোৎসৱ

দৈনন্দিন বাৰ্তাৰ সেৱা, অভয়াপুৰী, ১৫ ফেব্ৰুৱাৰী ঃ হৰিনামৰ ধ্বনিৰে মুখৰিত কৰি দ্বিতীয় বৈকুণ্ঠপুৰীত পৰিণত হল বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম। আজি ৰাতিপুৱা সৃজনগ্ৰাম আঞ্চলিক সৰ্বজনীন পালনাম মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি সুৰেন দাসে পতাকা উত্তোলন আৰু যুটীয়া সম্পাদক মনোজ ৰাজবংশীয়ে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰাৰ পাছতে আৰম্ভ হল ৩৫ সংখ্যক পালনাম মহোৎসৱৰ। দুদিনীয়াকৈ আয়োজিত সৃজনগ্ৰাম পশু চিকিৎসালয় পথাৰত সন্ধিয়া বঙাইগাঁও বেতবাৰীৰ মনিকান্ত ৰায়ে অধিবাস, প্ৰসংগ, জ্যেষ্ঠ নাগৰিক তথা মহোৎসৱ উদ্‌যাপন

সমিতিৰ উপদেষ্টা সুধন মুদৈয়ে বাপ-ভকত আৰু আইসকলৰ হৰিনাম ধ্বনিৰ মাজেৰে সমূহীয়া বন্তিপ্ৰজ্বলনৰ শুভাৰম্ভ কৰাৰ পাছতে সৃজনগ্ৰাম খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া মদন ভৰালীয়ে মহোৎসৱ ক্ষেত্ৰৰ উদ্ধোধন কৰে। কাইলৈ ব্ৰহ্মমুহূৰ্তত লেংচিছিঙাপাৰাৰ বাপ সকলে প্ৰভাত ফেৰীৰে দ্বিতীয় দিনৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। ৰাতিপুৱা ৫ বজাত গুণিয়ালগুৰী দ্বীজেন ৰায়ে মহোৎসৱৰ মণ্ডপত ভাগৱত স্থাপন কৰাৰ পাচতে চৌবিশ যুগল প্ৰসংগ আৰু পূজাৰুৰাম ৰায়ে মুকলি কৰিব ভাগৱত পাঠ। ইয়াৰ পাচতে অঞ্চলটোৰ আই সকলে নিৰন্তৰ হৰিনাম পৰিৱেশন কৰাৰ সমান্তৰালভাৱে আবেলি ২ বজাত বীৰনাম প্ৰদৰ্শনৰ শুভাৰম্ভ কৰিব পাখিৰীগুৰী বীৰনাম দলে। সন্ধিয়া সামৰণি পৰিব পালনাম মহোৎসৱৰ।

নগাঁও জিলা অগপৰ সভাপতি মনি মাধৱ মহন্তৰ সংবাদমেল

ধিঙত এককভাৱে নিৰ্বাচনত অৱতীৰ্ণ হ'ব অগপ

নগাঁও পৌৰসভাৰ মিত্ৰতাক লৈ আমি সুখী

দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৫ ফেব্ৰুৱাৰী ঃ এক সমিল মিলৰ পৰিবেশত নগাঁও পৌৰসভা নিৰ্বাচনৰ বাবে বিজেপিৰ লগত অগপৰ মিত্ৰতাৰ ৰাজনীতি হৈছে । নগাঁও পৌৰসভাৰ নিৰ্বাচনত আমি দুয়োটা দলে মিত্ৰ জোটৰ ধৰ্ম মানি ঐক্যবদ্ধ ভাবে যুঁজ দিম আৰু নিশ্চিত ভাবে আমি আশাপ্ৰদ ফল লাভ কৰিম । এই মন্তব্য নগাঁও জিলা অগপৰ নৱ নিযুক্ত সভাপতি মনিমাধৱ মহন্তৰ । আজি জিলা অগপৰ কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদ মেলত এই মন্তব্য কৰি মহন্তই কয় যে নগাঁও জিলা বিজেপিৰ নেতৃত্ব আৰু বিধায়ক ৰূপক শৰ্মাৰ সৈতে হোৱা আলোচনাৰ অন্তত নগাঁও পৌৰসভাৰ ২৬ টা মহলাৰ ভিতৰত চাৰিটা মহলাত অগপই প্ৰতিদ্বন্দ্বিতা কৰিছে। একেদৰে ৰহা আৰু কামপুৰ নগৰ সমিতিৰ ক্ষেত্ৰতো আমাৰ মিত্ৰতা হৈছে। ১০ টাকৈ মহলা থকা এই দুখন নগৰ সমিতিত তিনি জনকৈ অগপৰ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে । আমি ৰাইজৰ উন্নয়নৰ কাৰণে ৰাইজৰ ওচৰলৈ সহযোগ বিচাৰি যাম , ভোট বিচাৰি যাম । নগাঁৱৰ পৌৰসভাৰ নিৰ্বাচনত আমি ঐক্যবদ্ধ ভাবে যুঁজ দিম । ধিং নগৰ সমিতিৰ নিৰ্বাচনৰ ক্ষেত্ৰত বিজেপিৰ লগত আমাৰ আলোচনাত ব্যৰ্থ হৈছে। বিগত পৌৰ নিৰ্বাচনত ১০ টা মহলা যুক্ত ধিং নগৰ সমিতিত অগপই অকলে নিৰ্বাচন খেলি চাৰিটা মহলাত জয়ী হৈছিল। এইবাৰ বিজেপিৰ লগত আমাৰ আলোচনা সফল নোহোৱাৰ বাবে অগপই একক ভাবে ধিং নগৰ সমিতিৰ নিৰ্বাচনত অবতীণ হৈছে। তেওঁ লগতে কয় মুখ্যমন্ত্ৰী ড: হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত উন্নয়নে নতুন গতি লাভ কৰিছে । নগাঁও নগৰতো বিধায়ক ৰূপক শৰ্মাৰ তৎপৰতাত সৰ্বাংগীণ উন্নয়ন হৈছে। নগাঁও এখন ঐতিহাসিক চহৰ এই চহৰখনক সৰ্বাংগীণ সুন্দৰ কৰি গঢ়ি তোলাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব। কেন্দ্ৰীয় নগৰ উন্নয়ন মন্ত্ৰনালয়ে নগৰ অঞ্চলৰ উন্নয়নৰ বাবে বহু চিন্তা কৰিছে। কেন্দ্ৰ আৰু অসমত মিত্ৰজোঁটৰ চৰকাৰ আছে। সেয়ে আমি নগৰ অঞ্চলৰ উন্নয়নৰ বাবে বহু কাম কৰিব পাৰিম। ইয়াৰ বাবে অহা ধন ৰাশি সৎ ব্যবহাৰ কৰিব পাৰিম। প্ৰকৃত অৰ্থত ৰাইজৰ উন্নয়নৰ বাবে কাম কৰিব পাৰিম ।নগাঁও চহৰৰ কথা পুনৰ উল্লেখ কৰি মহন্তই কয় - পাৰিপাৰ্শ্বিক দিশতেই হওক বা নিৰাপত্তাৰ দিশতে হওক, পৰিষ্কাৰ পৰিচন্ন কৰি ৰখাৰ ক্ষেত্ৰতে হওক সকলো দিশতে নগাঁৱৰ উন্নয়ন আগবাঢ়ি যাব। সাংবাদিকে নগাঁও পৌৰসভাৰ ২৬ টা মহলাৰ ভিতৰত বিজেপিয়ে অগপক মাত্ৰ চাৰিখন আসন এৰি দিয়াৰ সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত মহন্তই কয় যে এই ক্ষেত্ৰত হোৱা আলোচনা সফল হৈছে। আমি সুখী হৈছো। আমাৰ দুয়োটা দলে আন্তৰিকতাৰে আগবাঢ়ি গৈছো। আহি থকা দিনত নগাঁৱত অগপৰ সংগঠন শক্তিশালী কৰি তোলা হব বুলি মহন্তই জানিবলৈ দিয়ে। সংবাদ মেলত অগপৰ নগাঁও জিলা সমিতিৰ সাধাৰন সম্পাদক নিৰঞ্জন বৰাকে ধৰি কেবাজনো বিষয়বৰীয়াই অংশ গ্ৰহণ কৰে ।

বাক্সাত ক'ভিডত বিধৱা মহিলালৈ মুখ্যমন্ত্ৰীৰ সাহায্য আঁচনিৰ চেক বিতৰণ মন্ত্ৰী ইউজি ব্ৰহ্মাৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ১৫ ফেব্ৰুৱাৰী ঃ বিগত সময়ত ক'ভিড-১৯ত মৃত্যুবৰণ কৰা লোকৰ বিধৱা পত্নীক আৰ্থিকভাৱে সকাহ দিয়াৰ উদ্দেশ্যে ৰূপায়ণ কৰা ক'ভিডত বিধৱা মহিলালৈ মুখ্যমন্ত্ৰীৰ সাহায্য আঁচনিৰ চেক আজি আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। বা'ী জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই চেক বিতৰণী অনুষ্ঠানত জিলাখনৰ ৮ গৰাকী বিধৱা তথা মৃতকৰ আত্মীয়ক আনুষ্ঠানিভাৱে আঢ়ৈ লাখ টকাৰ চেক বিতৰণ কৰে ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ, ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই। চেক প্ৰদান কৰাৰ পিছতে মন্ত্ৰী গৰাকীয়ে কয় যে বৰ্তমান চৰকাৰখনে সৰ্বসাধাৰণ লোকৰ হিতৰ বাবে বহু কাম কৰি আহিছে। সাম্প্ৰতিক সময়ত ক'ভিড-১৯ত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ বিধৱা মহিলাক এককালীন অৰ্থ সাহায্য প্ৰদানেৰে তেওঁলোকক সকাহ দিয়াৰ ব্যৱস্থা কৰা বুলি মন্তব্য কৰে। চৰকাৰে দিয়া আঢ়ৈ লাখ টকাৰে সৎ কামত ব্যৱহাৰ কৰি পৰিয়াল কেইটাই কিছু পৰিমাণে হলেও সকাহ পাব বুলি মন্ত্ৰী গৰাকীয়ে আশা প্ৰকাশ কৰে। এই সভাত জিলা উপায়ুক্ত আয়ুস গাৰ্গ, অতিৰিক্ত উপায়ুক্ত বন্তি তালুকদাৰ,সঞ্জীৱ শৰ্মা, আৰক্ষী অধীক্ষক ৰাজেন সিং, সদৰ মহকুমাধিপতি গীতাশ্ৰী লাচিত, সহকাৰী আয়ুক্ত নিজৰা বড়ো, বাক্সা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ভাস্কৰজ্যোতি বৰাকে ধৰি কেবা গৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

শুধৰণি নং-১ নিবিদা জাননী নং. ডিৰাই.চিইই/কন/আৰই/এমএলজি/০১/২০২২ তাৰিখ ঃ ০৭-০২-২০২২

নিবিদা জাননী নং.ঃ ডিৰাই. চিইই/কন/আৰই/এমএলজি/০১/২০২২ **তাৰিখঃ** ০৭-০২-২০২২ৰ সন্দৰ্ভত **নিবিদা নং.ঃ** ইএলচি-এনএফআৰ-অ'এইচই-আৰএনবাই-এনবিকিউ-ডিএল২ আৰটিৰ সংশোধন। আইআৰইপিএছ পৰ্টলেত প্ৰকাশ হোৱা নিবিদা ০৪-০২-২০২২ পৰিবৰ্তে ০৭-০২-২০২২ হিচাপে পঢ়িব লাগিব। নিবিদা বন্ধ ২৮-০২-২০২২ৰ ১৪:৩০ ঘণ্টাৰ পৰিবৰ্তে ০৩-০৩-২০২২ৰ ১৪:৩০ ঘণ্টা হিচাপে পঢ়িব লাগিব। নিবিদা মুকলি ২৮-০২-২০২২ৰ ১৫:৩০ ঘণ্টাৰ পৰিবৰ্তে ০৩-০৩-২০২২ৰ ১৫:৩০ ঘণ্টা হিচাপে পঢ়িব লাগিব। আন সকলো চৰ্তাবলী আৰু নিয়মাবলী অপৰিবৰ্তিত হৈ থাকিব।

উপ চিইই/কন/আৰই, মালিগাঁও
উত্তৰ-পূব সীমান্ত ৰেলৱে
নিৰ্মাণ সংস্থা
হাঁহিমুখে গ্ৰাহকৰ সেৱাত

কেন'পি ফাইনেন্স লিমিটেড
(চিআইএন) ঃ এল ৬৫৯১০ এএছ ১৯৮১ পিএলচি ০১৭৯২১
ৱেবছাইট ঃ www.canopyfinance.org, ই-মেইল ঃ info@canopyfinance.org
পঞ্জীয়ন কাৰ্যালয় ঃ ডিভাইন প্ৰাজা, তৃতীয় মহলা, জিএছ ৰোড, দিছপুৰ ছুপাৰমাৰ্কেট, গুৱাহাটী, কামৰূপ, অসম- ৭৮১০০৬
৩১ ডিচেম্বৰ ২০২১ত সমাপ্ত ত্ৰৈমাসিক আৰু নমাহৰ আন-অডিটেড বিত্তীয় ফলাফলসমূহৰ বিবৰণ

বিষয়-বস্তু	ত্ৰৈমাসিক সমাপ্তি	নমাহৰ সমাপ্তি	সম্পৰ্কিত ত্ৰৈমাসিক সমাপ্তি
	৩১-১২-২০২১	৩১-১২-২০২১	৩১-১২-২০২০
	আন-অডিটেড	আন-অডিটেড	আন-অডিটেড
লেনদেনৰ পৰা মুঠ আয়	১৬,৮৭৮.৭৪	৩৩,৫৫৮.১২	৬,৩১৮.৫৪
উক্ত সময়ত মুঠ লাভ/(লোকচান) (কৰৰ পূৰ্বে, এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ)	(৬,৪৫১.৭১)	৫,২৪১.৮০	৫,২২৯.২৫
উক্ত সময়ত মুঠ লাভ/(লোকচান) কৰৰ পূৰ্বে (পিছত এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ)	(৬,৪৫১.৭১)	৫,২৪১.৮০	৫,২২৯.২৫
উক্ত সময়ত মুঠ লাভ/(লোকচান) কৰৰ পিছত (পিছত এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ)	(৬,২৫৬.৬৬)	৪,৬৪৪.৪৫	৩,৮১৮.৯২
উক্ত সময়ৰ মুঠ সামগ্ৰিক আয়(লাভসহ/(লোকচান)(কৰৰ পিছত) আৰু অন্যান্য সামগ্ৰিক আয় (কৰৰ পিছত))	(৬,২৫৬.৬৬)	৪,৬৪৪.৪৫	৩,৮১৮.৯২
ইকুইটি শেয়াৰ কেপিটেল (ফেচভেলু ১০ টকা)	৯২,৯৩০.০০	৯২,৯৩০.০০	৯২,৯৩০.০০
প্ৰতিটো শেয়াৰৰ পৰা আয় (১০ টকা মূল্য/প্ৰতিটো) (ধাৰাবাহিক আৰু অধাৰাবাহিক লেনদেনৰ)**			
বেছিক ঃ	(০.৬৭)	০.৫০	০.৪১
ডাইলোটেড ঃ	(০.৬৭)	০.৫০	০.৪১

টোকা ঃ উপৰোক্ত তথ্যসমূহ ছেবি (লিষ্টিং অব্লিগেচন এণ্ড ডিছক্লজাৰ ৰিকুৱায়াৰমেনছ) বিধি- ২০১৫ ৰ ৰেগুলেচন ৩৩ ৰ অধীনত ষ্টক এক্সচেঞ্জত দাখিল কৰা অনুসৰি। এই বিষয়ত সম্পূৰ্ণ ত্ৰৈমাসিক বিত্তীয় ফলাফলসমূহ উপলব্ধ আছে বিএছই আৰু কোম্পানীৰ ৱেবছাইটত।

কেন'পি ফাইনেন্স লিমিটেড
স্থান ঃ গুৱাহাটী স্বা/- ললিত কুমাৰ টাপাড়িয়া
তাৰিখ ঃ ১৪.০২.২০২২ মেনেজিং ডাইৰেক্টৰ, ডিআইএন-০৮১১৭৮৮১

উত্তৰ গুৱাহাটী-পলাশবাৰী পৌৰসভা নিৰ্বাচনৰ বাবে ৩৯গৰাকী প্ৰাৰ্থীৰ মনোনয়ন দাখিল

মুখ্যমন্ত্ৰীৰ সমষ্টিত প্ৰাৰ্থিত্ব আগবঢ়াবলৈ ভয় কৰে কংগ্ৰেছে

দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১৫ ফেব্ৰুৱাৰী ঃ আগন্তুক পৌৰসভা নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিনা উত্তৰ গুৱাহাটী আৰু পলাশবাৰী পৌৰসভাৰ বাবে মুঠ ৩৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। ইয়াৰ ভিতৰত উত্তৰ গুৱাহাটী পৌৰসভাৰ বাবে ১৮ গৰাকীয়ে আৰু পলাশবাৰী পৌৰসভাৰ বাবে ২১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। অহা ১৭ ফেব্ৰুৱাৰীত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। উত্তৰ গুৱাহাটী পৌৰসভাৰ প্ৰকাশিত প্ৰাৰ্থী তালিকা অনুসৰিভাৰতীয় জনতা পাৰ্টী ১০ গৰাকী,ভাৰতীয় জাতীয় কংগ্ৰেছ ৫ গযাকী,অসম জাতীয় পৰিষদ এজন আৰু নিৰ্দলীয় দুগৰাকীয়ে মনোনয়ন দাখিল কৰিছে। ইফালে পলাশবাৰী পৌৰসভাৰ বাবে ২১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে । ভাৰতীয় জনতা পাৰ্টী ৯ গৰাকী ,ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৪ গৰাকী,অসম গণ পৰিষদ এগৰাকী,অসম জাতিয় পৰিষদ ৬ গৰাকী আৰু নিৰ্দলীয় এগৰাকীয়ে চক্ৰ বিষয়াৰ হাতত মনোনয়ন দাখিল কৰে। আজি আমিন গাঁও কামৰূপ উপায়ুক্ত কাৰ্যালয়ৰ মনোনয়ন দাখিল কৰা দলীয় প্ৰাৰ্থীৰ খবৰ লবলৈ আহি গুৱাহাটী সাংসদ কুইন ওজাই কয় যে জালুকবাৰী সমষ্টিৰ পৰাই আৰম্ভ হব কংগ্ৰেছমুক্ত ভাৰত। মুখ্যমন্ত্ৰীৰ জনপ্ৰিয়তাৰ বাবেই সমষ্টিৰ উত্তৰ গুৱাহাটী পৌৰ সভাত বিৰুধীয়ে প্ৰাৰ্থী দিব নোৱাৰিলে। একেদৰেই কলে প্ৰাক্তন মেয়ৰ তথা গুৱাহাটী মহানগৰ বিজেপি সভাপতি মুগেন শৰনীয়াইয়ো । উত্তৰ গুৱাহাটী পৌৰ সভাৰ আটাই কেইটা ৱাৰ্ড বিজেপিয়ে দখল কৰিব। ৱাৰ্ড সমূহত প